# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ অনুসন্ধানকাৰী গোট- এছ্ আই টিৰ এটা দলে আজি নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তৰ গুৱাহাটীৰ গীতানগৰত থকা বাসভৱনত প্ৰাৰম্ভিক তদন্ত চলায়। এছ্ আই টিৰ দলে আজি জুবিন গাৰ্গৰ সহযোগী শেখৰ গোস্বামীৰ বাসগৃহলৈও গৈ প্ৰাৰম্ভিক তথ্য আহৰণ কৰে। চি আই ডিয়ে আজি জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ গুৱাহাটীৰ ধীৰেণপাৰাত থকা বাসগৃহতো অভিযান চলায়। চি আই ডিৰ অভিযানৰ সময়তে মেনেজাৰজনৰ ঘৰৰ বাহিৰত উত্তেজিত জনতাক আৰক্ষীয়ে বহু কষ্ট কৰি নিয়ন্ত্ৰণ কৰে।

ইপিনে জুবিন গাৰ্গৰ সৈতে সংঘটিত দুৰ্ভাগ্যজনক ঘটনাৰ সৈতে জড়িত যিকোনো বিশ্বাসযোগ্য তথ্য কাৰোবাৰ হাতত থাকিলে সেইসমূহ পোনপটীয়াকৈ চি আই ডিলৈ প্ৰেৰণ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। এনে তথ্য digp-cid@assampolice.gov.in লৈ মেইল যোগে প্ৰেৰণ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে সকলোকে এছ্ আই টিৰ সৈতে সহযোগ কৰিবলৈ আহ্বান জনায়।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত কোনো লোককে ৰেহাই দিয়া নহ’ব বুলিও উল্লেখ কৰে। তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ সময়ত সংগ্ৰহ কৰা ভিছেৰা নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেণচিক গৱেষণাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ’ব বুলি প্ৰকাশ কৰে।

জুবিন গাৰ্গৰ আকস্মিক বিয়োগক সহজে মানি ল’ব নোৱৰা ৰাজ্যৰ জনসাধাৰণে বিভিন্ন ঠাইত তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই সন্দৰ্ভত কেইবাটাও গোচৰো ৰুজু হৈছে। ইয়াৰ লগতে ৰাজ্যজুৰি শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীও অব্যাহত আছে। ইপিনে শিল্পীগৰাকীৰ সমাধিস্থলীত সুৰাপান কৰি উদ্ভণ্ডালি কৰাৰ অভিযোগত সোণাপুৰ আৰক্ষীয়ে ছজন যুৱক-যুৱতীক আটক কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে তেওঁলোকে নিজকে জুবিন গাৰ্গৰ অনুৰাগী বুলি পৰিচয় দি সমাধিস্থলীৰ দেৱাল নিৰ্মাণ কৰি থকা শ্ৰমিকক কাম বন্ধ কৰিবলৈ হুমকি দিছিল। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ সুৰামত্ত যুৱক-যুৱতী ছজনক আটক কৰে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰি আজি আছাম পাব্লিক ৱৰ্কছ্ আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নামৰ সংগঠন দুটাই গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰে। আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিৎ শৰ্মা আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন উপ-সভাপতি পলাশ ৰঞ্জন বৰুৱাই এই আবেদনখন দাখিল কৰে।

এই ঘটনাৰ তদন্ত বিচাৰি এজন অধিবক্তাই দাখিল কৰা আন এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি গ্ৰহণ কৰিছিল।

০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হ'বলগীয়া এই ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে বিটিআৰৰ জিলাকেইখনৰ প্ৰশাসন সাজু হৈ উঠিছে। প্ৰশাসনে স্থাপন কৰা ষ্ট্ৰং ৰুমসমূহত বেলট বাকচসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। এই ভোটগণনাৰ জৰিয়তে ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। উল্লেখযোগ্য যে যোৱা ২২ ছেপ্তেম্বৰত বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণত ৭৮ দশমিক ৪-২ শতাংশ লোকে ভোটদান কৰিছিল। ইয়াৰ ভিতৰত কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিত ৮২ দশমিক ২-৭ শতাংশ, ওদালগুৰি জিলাৰ ১০টা সমষ্টিত ৭৫ দশমিক ১-৭ শতাংশ, তামুলপুৰ জিলাৰ ৪টা সমষ্টিত ৭৫ দশমিক ০-৯ শতাংশ, বাক্সাৰ ৬টা সমষ্টিত ৭৬ দশমিক ৯-২ শতাংশ আৰু চিৰাং জিলাৰ ৭টা সমষ্টিত ৮০ দশমিক ১-১ শতাংশ লোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছিল। ওদালগুৰি জিলাত এই ভোটগণনাৰ জৰিয়তে ৬৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত স্থাপন কৰা ষ্ট্ৰংৰুমত বেলট বাকচসমূহ নিৰাপত্তা বেষ্টনীৰ মাজত ৰখা হৈছে।

চিৰাং জিলাত সাতটা পৰিষদীয় সমষ্টিৰ বাবে কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে উপেন্দ্ৰনাথ ব্ৰহ্ম মহাবিদ্যালয়ত ৩৮খন টেবুল আৰু বিজনী মহকুমাৰ ভোটগণনাৰ বাবে ৫৪খন টেবুল সাজু কৰা হৈছে। জিলাখনৰ সাতটা পৰিষদীয় সমষ্টিত ৫৬গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

তামুলপুৰ জিলাৰ পাঁচটা পৰিষদীয় সমষ্টিত কাইলৈ ৪১গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। প্ৰায় সাতটা ৰাউণ্ডত ভোটগণনা কৰা হ'ব বুলি জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কদমগুৰিত আজি দুপৰীয়া সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোক থিতাতে নিহত আৰু এজন লোক আহত হয়।

ইপিনে বজালী জিলাৰ পাঠশালাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত পথ দুৰ্ঘটনাত চুলিয়াপাৰাৰ সিদ্ধেশ্বৰ শৰ্মা নামৰ লোকজনৰ মৃত্যু হয়। ৰান্ধনী হিচাপে জীৱিকা নিৰ্বাহ কৰা শৰ্মাই নিজৰ কাম সমাপ্ত কৰি ঘৰলৈ আহি থকা অৱস্থাত এখন বাহনে তেওঁক মহতিয়াই লৈ যায়। ততাতৈয়াকৈ তেওঁক পাঠশালা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা  হয় যদি চিকিৎসকে মৃত ঘোষণা কৰে।

০০০০০

সমাপ্ত